بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## হজৰত মছীহ মাওউদ (আঃ)ৰ শিক্ষাৰ আলোকত আল্লাহৰ একত্ববাদৰ ঈমান উদ্দীপক ঘটনাৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১০ এপ্ৰিল ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে নিজৰ প্ৰভুৰ অনুসৰণ কৰাত হজৰত মছীহ মাওউদ (আঃ)য়ে একত্ববাদ প্ৰতিষ্ঠা কৰাৰ প্ৰচেষ্টাত নিজৰ কৰ্মৰ দ্বাৰা আৰু নিজৰ অনুগামীসকলক কৰা উপদেশ আৰু কিদৰে তেওঁলোকক প্ৰশিক্ষণ কৰিছিল সেইবোৰৰ কিছু ঘটনা উল্লেখ কৰিম।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছিল যে কোনো এজন ব্যক্তিৰ পুত্ৰৰ মৃত্যু হৈছিল, তেওঁৰ এজন বন্ধুৱে তেওঁৰ ওচৰত গৈছিল, তেতিয়া তেওঁ চিঞৰি চিঞৰি কৈছিল যে খোদা মোৰ সৈতে অন্যায় কৰিছে আৰু তেওঁৰ ধাৰণা অনুসৰি তেওঁৰ পৰা কোনো অধিকাৰ কাঢ়ি লৈছে। কিন্তু চিন্তা কৰা উচিত যে কোনটো অধিকাৰ বান্দাই খোদাৰ ওপৰত স্থাপন কৰিছে ?

মানুহে সদায় এই ধাৰণা কৰা উচিত যে যি অনুগ্ৰহ আৰু সন্তান খোদা তা'লাই আমাক প্ৰদান কৰিছে, সেয়া আল্লাহৰ তা'লাৰ কৃপাৰ ফলতহে আমি লাভ কৰিছোঁ,এই কথাই বিচাৰে যে আমি সদায় খোদা তা'লাৰ চৰণত নত হোৱা উচিত। সেইজনাৰ একত্ববাদ প্ৰতিটো কথা আৰু কৰ্মৰ দ্বাৰা প্ৰকাশ পোৱা উচিত, সূক্ষ্ম পৰিমাণেও কেতিয়াও শ্বিৰকৰ শংকা সৃষ্টি হোৱা উচিত নহয়। কেতিয়াও এই ধাৰণা নকৰিব যে খোদা তা'লাৰ ওপৰত আমাৰ কোনো অধিকাৰ আছে। উপাসনা কৰিলেই খোদা তা'লাৰ অধিকাৰ পূৰণ নহয়, সেয়া কেৱল আমি নিজৰ লাভৰ বাবেহে কৰো।

হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ পুত্ৰ মোবাৰক আহমদক বৰ মৰম কৰিছিল। তেওঁ অসুস্থ হোৱাত

তেওঁৰ প্ৰতি বিশেষকৈ লক্ষ্য ৰাখিছিল। হজৰত খলিফাতুল মছীহ প্ৰথম (ৰাঃ)ৰ এই ধাৰণা সৃষ্টি হৈছিল যে যদি মোবাৰক আহমদ মৃত্যুবৰণ কৰে, তেতিয়া হজৰত মছীহ মাওউদ আঃ)য়ে বৰকৈ আঘাত পাব। যেতিয়া মোবাৰক আহমদ মৃত্যু বৰণ কৰে, তেতিয়া হজৰত মছীহ মাওউদ (আঃ)য়ে সেই মুহূৰ্ততেই ধৈৰ্য ধাৰণ কৰি নিজৰ বন্ধুলৈ চিঠি প্ৰেৰণ কৰে যে মোবাৰক আহমদ মৃত্যু বৰণ কৰিছে, কিন্তু এই ঘটনাক লৈ চিন্তিত হ'ব নালাগে। এইটো আল্লাহৰ ইচ্ছা আছিল, যাৰ ওপৰত আমি ধৈৰ্য ধাৰণ কৰা উচিত। ইয়াৰ পিছত বাহিৰলৈ আহি হাঁহি মুখে ভাষণ প্ৰদান কৰিব ধৰিলে যে মোবাৰক আহমদ সন্দৰ্ভত খোদা তা'লাৰ যিটো ইলহাম আছিল, সেয়া পূৰণ হ'ল। অৰ্থাৎ তেখেত (আঃ)ৰ কবিতা,

খোদা তা'লা হৈছে আটাইতকৈ প্ৰিয়, সেইজনাৰ বাবে নিজৰ প্ৰাণ আৰু হৃদয় আহুতি দিবা।

আৰু কৈছে, হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে চুলতান আব্দুল হামিদ খান চাহাবৰ বহু কথা ভুল আছিল, কিন্তু তেওঁৰ এটা কথা বৰ ভাল লাগিছিল যে যেতিয়া মন্ত্ৰীসকলে যুদ্ধৰ পৰা হাত সাৰিবলৈ বিভিন্ন দুৰ্বলতা আৰু অসুবিধাৰ কথা বৰ্ণনা কৰিছিল, তেতিয়া চুলতানে কৈছিল যে কিছু কাম খোদাৰ ওপৰত ভৰসা কৰা উচিত। এনে ধৰণৰ কামৰ সময়ত হজৰত মছীহ মাওউদ (আঃ)য়ে আল্লাহৰ ওপৰত পৰিপূৰ্ণ ভৰসা কৰিছিল।

হজৰত মছীহ মাওউদ (আঃ)ৰ মূৰৰ বিষ আছিল, আৰু ঘূৰণীয়া ৰোগত আক্ৰান্ত আছিল। এজন চিকিৎসকৰ বিষয়ে জনা গৈছিল তেওঁ এই ৰোগৰ চিকিৎসাত বৰ অভিজ্ঞ। তেওঁক মাতি অনা হৈছিল, তেওঁ হুজুৰক কৈছিল যে মই তোমাক দুদিনতে আৰোগ্য প্ৰদান কৰিব পাৰিম। এই কথা শুনাৰ পিছত হুজুৰ (আঃ)য়ে ভিতৰলৈ প্ৰৱেশ কৰিছিল আৰু হজৰত মৌলৱী নুৰুদ্দিন চাহাব (ৰাঃ)লৈ চিঠি লিখিছিল যে এই ব্যক্তিৰ দ্বাৰা মই চিকিৎসা কৰিব নিবিচাৰো। এইজন ব্যক্তিয়ে খোদাৰ দাবী কৰে, তেওঁক উভতাই পঠোৱাৰ ভাড়াৰ লগতে অধিক ২৫ টকা দি বিদায় দিয়ক।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে মই তেওঁক ভাল পাওঁ, আৰু তেওঁৰ মৰ্যাদাক সন্মান কৰো, কিন্তু এনেকুৱা লোকসকলে সংকীৰ্ণ পথ গ্ৰহণ কৰে, গতিকে সকলোৱে তেওঁৰ পথ অনুসৰণ কৰিব নোৱাৰে, যেতিয়ালৈকে খোদাৰ প্ৰতি পৰিপূৰ্ণ ভৰসা নাথাকে, তেতিয়ালৈকে মানুহে আচল সোৱাদ পাব নোৱাৰে। মানুহৰ হৃদয় ব্যক্তিগতভাৱে যেতিয়ালৈকে আল্লাহৰ প্ৰেমত নিমগ্ন নহয়, তেতিয়ালৈকে প্ৰবৃত্তিৰ মিশ্ৰণ আৰু পাৰ্থিৱ জগতৰ লাভৰ ধাৰণাৰ পৰা মানুহ আঁতৰি নাথাকে, তেতিয়ালৈকে তেওঁৰ কোনো উপাসনা আৰু দান-বৰঙণি গৃহীত নহয়।

হুজুৰ কৈছে যে দোৱা গ্ৰহণ হোৱাৰ বাবে একত্ববাদৰ ওপৰত সম্পূৰ্ণৰূপে ভৰসা আৰু বিশ্বাস হোৱা উচিত। আল্লাহ তা'লাৰ নৈকট্য লাভ কৰিবলৈ দোৱা হৈছে প্ৰথম মাধ্যম। যিসকলে লিখে যে আমি বহু দোৱা কৰিছোঁ, আমি অমুক কৰিছোঁ, তমুক কৰিছোঁ, কপি কৰিছোঁ, দান-বৰঙণি কৰিছোঁ তথাপি আমাৰ দোৱা গ্ৰহণ হোৱা নাই, তেওঁলোকে এই কথাৰ প্ৰতি চিন্তা কৰা উচিত। এই পদ্ধতি হজৰত মছীহ মাওউদ (আঃ)য়ে শিকাইছে।

হজৰত মছীহ মাওউদ (আঃ)ক খোদা তা'লাই সম্বোধন কৰি কৈছে, এই যুগত তুমি মোৰ একত্ববাদৰ বাহক আৰু হেৰাই যোৱা তৌহিদ পৃথিৱীত পুনৰায় প্ৰতিষ্ঠা কৰি আছা, গতিকে হে মহম্মদৰ মছীহ, তুমি মোৰ এনেদৰে প্ৰিয় যিদৰে মোৰ তৌহিদ; খ্ৰীষ্টানসকলে মিছা আৰু প্ৰতাৰণাৰে মছীহক খোদাৰ প্ৰকৃত পুত্ৰ বুলি গণ্য কৰিছে, সেই বাবে মই বিচাৰো যে মই তোমাৰ সৈতে তেনেদৰে প্ৰেম কৰো, যিদৰে পুত্ৰৰ সৈতে কৰা হয়, যাতে পৃথিৱীত প্ৰকাশ পায় যে মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ শিষ্যসকলেও শিশুৰ মৰমৰ দৰে আল্লাহৰ পৰা মৰ্যাদা লাভ কৰিব পাৰে।

তেখেত (আঃ)য়ে কৈছে যে খোদা তা'লাই বিচাৰে যে সকলো আত্মা যি পৃথিৱীৰ বিভিন্ন ঠাইত আছে, সেয়া ইউৰোপতেই হওক বা এছিয়াতেই হওক তেওঁলোকৰ মাজৰ যিসকল পুণ্য স্বভাৱৰ, তেওঁলোকক একত্ববাদৰ ফালে আহ্বান কৰিব আৰু নিজৰ বান্দা সকলক এটা ধৰ্মত একত্রিত কৰিব, এয়াই হৈছে খোদা তা'লাৰ উদ্দেশ্য, আৰু ইয়াৰ বাবেই মোক পৃথিৱীত প্রেৰণ কৰা হৈছে। গতিকে তোমালোকে এই উদ্দেশ্য কোমলতা, ভাল আচৰণ আৰু দোৱাৰ জৰিয়তে পূৰণ কৰিবা।

আকৌ তেখেত (আঃ)য়ে কৈছে, মোৰ সকলো আনন্দ তাতেই, মোৰ আগমনৰ মূল উদ্দেশ্য এইটো যে খোদা তা'লাৰ একত্ববাদ আৰু ৰছুলে কৰিম (ছাঃ)ৰ সন্মান পৃথিৱীত প্রতিষ্ঠিত কৰা।

এঠাইত কৈছে মোৰ বয়াতৰ প্রকৃত উদ্দেশ্য হৈছে, খোদা তা'লাৰ তৌহিদ আৰু ৰছুলে কৰিম (ছাঃ)ৰ সন্মান পৃথিৱীত প্রতিষ্ঠা কৰা। কাদিয়ানত হজৰত মছীহ মাওউদ (আঃ)ৰ পিৰা দত্ত নামৰ এজন সেৱক আছিল। সকলোৱে তেওঁক সেই নামেৰে মাতিছিল। কিন্তু হুজুৰ (আঃ)য়ে তেওঁক পিৰি দত্তা নামেৰে মাতিছিল, অৰ্থাৎ মোৰ পীৰ আল্লাহৰ দান।

হজৰত মছীহ মাওউদ (আঃ)ক ইলহামৰ যোগেদি আল্লাহ তা'লাই কৈছে, **খুজুত তৌহিদুল তৌহিদু ইয়া ইবনাউল ফাৰিছ**। এই ইলহাম নিজৰ স্থায়ীত্ব আৰু প্রগতিৰ বাবে তেখেত (আঃ)ৰ বংশৰ বাবে আৰু প্রত্যেক যুগৰ বাবে প্রযোজ্য।

যেতিয়া তেখেত (আঃ)ৰ বয়াতত অন্তৰ্ভুক্ত হয়, তেতিয়া আপোনাৰ সন্তান সকলকো প্রজন্মৰ ভিতৰত অন্তৰ্ভুক্ত হয়। যদি সেইটো ধৰি ৰাখিব পাৰে, তেতিয়া দ্বীন আৰু দুনিয়াত সফল হ'ব পাৰিব, অন্যথা কোনো আত্মীয়ৰ সম্পৰ্কই লাভ নিদিয়ে, আৰু বয়াত গ্রহণ কৰিলেই কোনো উপকাৰ সাধন নকৰে। হজৰত মছীহ মাওউদে খোদাৰ তুলনাত মানুহৰ পূজা কৰাটো তীব্রভাৱে অপছন্দ কৰিছিল। কেইবাবাৰ তেখেতে নিজৰ আনুগামী সকলক বা উপস্থিতিসকলক কৰমৰ্দনৰ সময়ত পীৰক স্পৰ্শ কৰিববলৈ নিষেধ কৰিছিল।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে, মই এই কথাৰ কঠোৰ বিৰোধী যে কোনোবাই মোৰ ফটো তোলক আৰু সেইটো মূৰ্তি পূজাৰ দৰে নিজৰ ওচৰত ৰাখিব বা প্রকাশ কৰিব। এনেকুৱা কৰিবলৈ মই কেতিয়াও নিৰ্দেশ দিয়া নাই। মূৰ্তি বা ছবিৰ পূজাৰ শত্রু মোতকৈ অধিক আন কোনোবা নাই। কিন্তু মই দেখিছো যে আজিকালি ইউৰোপৰ মানুহে কোনো এজন ব্যক্তিৰ লেখা চাব বিচাৰিলে প্রথমে তেওঁৰ ছবি চাব বিচাৰে, কাৰণ ইউৰোপীয় দেশবোৰত বিবেচনাৰ জ্ঞান অতি উন্নত। তেওঁলোকৰ বেছিভাগেই কেৱল ছবিখন চাইয়ে চিনাক্ত কৰিব পাৰে, সেয়া প্রকৃততে সঁচা নে মিছা। তেওঁলোকে হাজাৰ কোচ দূৰত থাকি মোৰ ওচৰলৈ আহিব নোৱাৰে আৰু মোৰ মুখমণ্ডলো চাব নোৱাৰে। গতিকে সেই দেশৰ বিচক্ষণ লোকসকলে ছবিখনৰ জৰিয়তে মোৰ অন্তৰ্নিহিত অৱস্থাটো বিবেচনা কৰে। ইউৰোপ বা আমেৰিকাৰ পৰা বহু লোকে মৌলৈ চিঠি লিখিছে যে আমি আপোনাৰ ছবিখন ভালদৰে চাইছো আৰু বিবেচনাৰ জ্ঞানৰ জৰিয়তে আমি বিশ্বাস স্থাপন কৰিছোঁ যে এইজন মিছলীয়া নহয়। এগৰাকী আমেৰিকান মহিলাই মোৰ ছবিখন চাই কৈছে যে এইজন মছীহ, অৰ্থাৎ ঈছা (আঃ)ৰ ফটো হয়। গতিকে এই উদ্দেশ্যে আৰু এইখিনিলৈকে মই ইচ্ছাকৃতভাৱে এই পদ্ধতিৰ ধাৰাবাহিকতাৰ বিষয়ে মৌনতা অৱলম্বন কৰিছিলোঁ। ফটোৰ জৰিয়তে জ্ঞানত বৰ প্রগতি হৈছে, যিদৰে জন্তু আৰু ৰোগীক চাই চিহ্নিত কৰাত সহায় হয়। সেয়েহে এইটোক অবৈধ কোৱাটো শুদ্ধ নহ'ব। ইছলামে কেৱল সেই কামবোৰ কৰিববলৈ নিষেধ কৰে যিয়ে শ্বিৰক আৰু অযথা কামৰ ফালে লৈ যায়। সেই কাম কৰিববলৈ নিষেধ নকৰে যিটো কামে জ্ঞান বৃদ্ধি কৰে। গতিকে ছবিবোৰ পুণ্য উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰা উচিত। সেইবোৰক জীৱিকাৰ উপায় আৰু অযথা উদ্দেশ্যে বিস্তাৰ কৰা ঠিক নহয়। কাৰণ এইদৰে লাহে লাহে বিদা'ত আৰু শ্বিৰক সৃষ্টি হয়। সেয়েহে সতৰ্কতা আৰু ন্যায় অৱলম্বন কৰা জৰুৰী।

সকলো কৰ্ম নিয়তৰ ওপৰত নিৰ্ভৰ কৰে।

হুজুৰ কৈছে যে এনে ধৰণৰ বিদা'ত আমাৰ জামাতৰ মানুহৰ মাজতো আৰম্ভ হৈছে। কিছুমান লোকে মৃত্যু বৰণ কৰা লোকৰ ছবি নিজৰ লগতে ৰাখে, কিছুমানে বিয়া-বাৰুৰ অনুষ্ঠানত ছবিবোৰ ফেৰেম কৰি লগায় আৰু কয় যে এইজন আমাৰ মৃত্যু হোৱা বুজুৰ্গৰ ফটো, এওঁয়ো আমাৰ সৈতে অন্তৰ্ভূক্ত হৈছে। এই সকলোবোৰ হৈছে শ্বিৰক আৰু বিদা'ত ইয়াৰ পৰা আঁতৰি থকা উচিত। কেৱল পুণ্য উদ্দেশ্যে নিজৰ স্মাৰক হিচাপে এলবামত ছবিবোৰ ৰখা বৈধ, কিন্তু সেইবোৰ প্ৰকৃতি হিচাপে গণ্য কৰা, ৰাতিপূৱা উঠি চোৱা আৰু ছালাম কৰাটো হৈছে বিদা'ত।

হজৰত মৌলানা গোলাম ৰছুল ৰাজিকি চাহাব (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ১৯০১ চনৰ এটা কথা, এবাৰ মই হজৰত মছীহ মাওউদ (আঃ)ৰ ওচৰত উপস্থিত আছিলো। হুজুৰ (আঃ)য়ে আল্লাহৰ একত্ববাদৰ বিষয়ে ভাষণ প্ৰদান কৰি কৈছিল যে কিছুমান লোকে কাৰোবাৰ অনুগ্ৰহত আলহামদুলিল্লাহ কোৱাৰ পৰিৱৰ্তে জাযাকাল্লাহ বুলি কয়। গভীৰভাৱে চালে ইয়াতো এক প্ৰকাৰ শ্বিৰক আছে বুলি দেখা যায়, কাৰণ অনুগ্ৰহ কৰাৰ একমাত্ৰ সত্তা হৈছে খোদা তা'লা। সেয়েহে পোনপ্ৰথমে আল্লাহ তা'লাৰ গুণ আৰু প্ৰশংসা কৰা উচিত, ইয়াৰ পিছত অনুগ্ৰহৰ বাবে জাযাকাল্লাহ কোৱা উচিত।

হজৰত ভাই আব্দুৰ ৰহমান চাহাব কাদিয়ানী (ৰাঃ)য়ে লাহোৰৰ অন্তিম যাত্ৰাৰ বিৱৰণত লিখিছে যে মৃত্যুৰ কিছু দিন আগতে হজৰত চাহাব (আঃ)ৰ তীৰ্থযাত্ৰাৰ বাবে কিছুমান মহিলা উপস্থিত হৈছিল, তেতিয়া হুজুৰ (আঃ)কিবা কামত মগ্ন আছিল, তেওঁলোকক সোনকালে বিদায় দিব বিচাৰিছিল, কিন্তু তেওঁলোকে কিছু উপদেশ দিবলৈ আবেদন কৰিছিল। হুজুৰ (আঃ)য়ে ইমান মগ্ন থকা সত্বেও মহিলা সকলৰ আবেদন গ্ৰহণ কৰি একত্ববাদৰ বিষয়ে তেওঁলোকক মনোযোগ আকৰ্ষণ কৰে আৰু মূৰ্তি পূজা কৰিবলৈ নিষেধ কৰে। ইয়াৰ পিছত হুজুৰ আন এটা ভাষণ প্ৰদান কৰে যে ঈছা মছীহৰ মৃত্যুয়ে ইছলামৰ জীৱন, আৰু মহম্মদী মছীহৰ আগমনেই ইছলামৰ জীৱন।

গতিকে তৌহিদ বিস্তাৰ কৰাৰ বাবে আৰু সেয়া নিজৰ জীৱনৰ এটা অংশ হিচাপে গঢ়ি তোলাৰ বাবে চেষ্টা কৰা উচিত। আজিৰ কাম হৈছে মহম্মদী মছীহৰ দাস সকলৰ। আল্লাহ তা'লা আমাক এই কাম কৰাৰ সৌভাগ্য দান কৰক।

খোতবাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে পৃথিৱীৰ বৰ্তমান অৱস্থা আৰু মুছলমান উম্মতৰ বাবে দোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB